# ইয়োব, চলোমনৰ পৰমগীত, উপদেশক, গীতমালা আৰু হিতোপদেশ

ল'ৰা-ছোৱালীবিলাকে শিকোৱাবিলাকে P4b পাঠটি পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** মৰমিয়াল প্ৰভু, তুমি অনেক শতিকাৰ আগতে ইব্ৰী ভাষা কোৱা ইস্ৰায়েলবিলাকক যি সুন্দৰ কবিতা লিখিবলৈ অনুপ্ৰেৰণা যোগাইছিলা, সেই কবিতাটি শিকাবলৈ, তোমাক উৎসাহিত আৰু গৌৰৱ কৰাত ব্যৱহাৰ কৰিবলৈ আমাক সহায় কৰা।”

মানুহবিলাকৰ প্ৰয়োজন অনুসৰি খাপ খুউৱাকৈ কামবোৰ বাচি লওক।

**১। প্ৰাৰ্থনা সহকাৰে ঈশ্বৰৰ বাক্যৰ দ্বাৰাই কবিতা পুথি কেইখনৰ পৰা শিকাবলৈ যুগুত হওক।**

প্ৰাচীন ইব্ৰী কবিতাৰ অতুলনীয় সৌন্দৰ্য্য আৰু শক্তিৰ বিষয়ে বুজাই দিয়ক।

- বিভিন্ন সংস্কৃতিৰ কবিতাৰ শব্দ মিলন ঘটে; বাক্যাংশ বিলাকৰ শেষ শব্দবোৰৰ ধ্বনি একেই। ইয়াৰ ছন্দও আছে। বাক্যাংশত থকা উচ্চাৰিত পদাংশৰ সংখ্যা আৰু স্থানে এটি চানেকি মানি চলে। তেনেধৰণৰ কবিতাবোৰ অনুবাদ কৰাত টান। মানুহে সকলো ভাষাতে তেওঁৰ বাক্য পঢ়াটো ঈশ্বৰে কামনা কৰে, আৰু সেয়ে বেলেগ ধৰণৰ কবিতা ব্যবহাৰ কৰিছিল।
- প্ৰাচীন ইস্ৰায়েলৰ কবিসকলে সকলো ভাষা আৰু সংস্কৃতিৰ লগত খাপ খোৱা সৌন্দৰ্য্য আৰু সমতা প্ৰণালী ব্যৱহাৰ কৰিছে। কেৱল মাত্ৰ বাক্য আৰু জোৰ দিয়া পদাংশ প্ৰণালী মিলোৱাতকৈ, ঈশ্বৰে কবিসকলক তেওঁলোকৰ মনৰ ভাৱবোৰৰ অৰ্থবোৰৰ লগতহে সমতা ৰখা কথাত বেছি অনুপ্ৰাণিত কৰিছিল। তেওঁলোকৰ ভাববোৰ দুই বা তাতোধিক বিভিন্ন উপায়েৰে প্ৰকাশ কৰি পদবোৰৰ সমতা ৰাখিছিল।
- এনে এটা কথা চিন্তা কৰক, যি হিতোপদেশ ১৬ঃ১১ পদৰ সাদৃশ বাক্যাংশত সমতা ৰাখিছে।
- এনে এটা কথা চিন্তা কৰক যি হিতোপদেশ ১৩ঃ১ পদৰ বিসদৃশ বাক্যাংশত সমতা ৰাখিছে।



“হে এলেহুৱা, পৰুৱাৰ ওচৰলৈ যোৱা, সিহঁতৰ কাৰ্য্য দেখি জ্ঞানী হোৱা” (হিতোপদেশ ৬ঃ৬ পদ)

**নাটকৰ পুস্তক ঃ ইয়োব আৰু চলোমনৰ পৰমগীত।**

যিবিলাক মানুহৰ মাজত ঈশ্বৰ আৰু তেওঁৰ ন্যায়বিচাৰ সম্বন্ধে তীক্ষ্ণ মতবিৰোধ আছিল তেওঁলোকৰ একনিষ্ঠ আৰু ভেদকাৰী কথা-বতৰাবোৰ ইয়োবে লিপিবদ্ধ কৰিছে। ইয়োব ১১ অধ্যায়ত, ইয়োবৰ এজন বন্ধু চোফৰে এইকথা ভাবি সাধাৰণ ভুল কৰি পেলালে যে মানুহে পাপ কৰা বাবে দুঃখভোগ কৰিব লগা হয়, হিন্দুসকলৰ মতে যি “কৰ্ম্মৰ ফল” বুলি কোৱা হয়।

ইয়োব ১১ঃ১১-১৫ চাওক চোফৰে ইয়োবক কিহৰ কাৰণে দোষী কৰিছিল।

ইয়োব ১২ঃ১-৩ চাওক চোফৰৰ পৰামৰ্শৰ বিষয়ে ইয়োবে কি ভাবিছিল।

চলোমনৰ পৰমগীতত যুৱ প্ৰেমিকৰ দোহাৰ সঙ্গীতৰ দ্বাৰাই প্ৰতিধ্বনিত হোৱা প্ৰবল মনোভাৱনা প্ৰকাশ পাইছে। ই ঈশ্বৰ আৰু বিশ্বাসীসকলৰ মাজত আৰু প্ৰভু যীচুখ্ৰীষ্ট তেওঁৰ অনুৰাগী আৰু তেওঁৰ কন্যাৰ মাজত থকা পাৰস্পৰিক প্ৰেমৰ কথা বৰ্ণনা কৰিছে।

প্ৰাচীন ইস্ৰায়েলসকলে গোৱা গীতবোৰ ঃ **গীতমালা**।

- প্ৰায় সকলো খ্ৰীষ্টিয়ান সেৱকে উপাসনাত গীতমালা ব্যৱহাৰ কৰে।
- দায়ুদ ৰজা, তেওঁৰ উপাসনা চলাওঁতা, আচাফ আৰু আন সঙ্গীত ৰচকসকলে ঈশ্বৰলৈ প্ৰশংসাৰ গভীৰ ভাৱ, আবেদন, খং, কৃতজ্ঞতা, আপত্তি, আশা, হতাশা আৰু ধন্যবাদ প্ৰকাশ কৰিছে।
- ২ চমূৱেল ২৩ঃ১ পদত দায়ুদে তেওঁৰ জীৱনৰ শেষকালত কি কৈছে চাওক।

জ্ঞানৰ কথাবোৰ ঃ **হিতোপদেশ**।


হিতোপদেশবোৰ হৈছে দায়ুদৰ পুত্ৰ চলোমন ৰজা আৰু আন জ্ঞানী লোকে লিখা জ্ঞানদায়ক বাক্য।

হিতোপদেশ ৫ অধ্যায়ত চাওক।

- এগৰাকী ব্যভিচাৰিণীৰ ভাষণ কেনেকুৱা *(৩-৪ পদ)*
- তাইৰ ভৰি কোনফালে গৈছে *(৫-৬ পদ)*
- স্বামীবিলাকে কিয় তেওঁলোকৰ ভাৰ্য্যাবিলাকৰ প্ৰতি বিশ্বাসী হোৱা উচিত *(১৫-২৩ পদ)*

বেছিভাগ হিতোপদেশ যুৱক-যুৱতীবিলাকৰ কাৰণে দিয়া উপদেশ।

“হে মোৰ বোপা, মোৰ বাক্যলৈ মনোযোগ কৰা,
আৰু মোৰ কথালৈ  মন পাতা।
সেইবোৰ তোমাৰ দৃষ্টিৰ অগোচৰ নহওক;
সেইবোৰ তোমাৰ ভিতৰত ৰাখা।
কিয়নো যিবিলাকে সেইবোৰ পায়, সিবিলাকলৈ
সেইবোৰ জীৱনস্বৰূপ,
আৰু সিবিলাকৰ সৰ্ব্বশৰীৰলৈ স্বাস্থ্যস্বৰূপ।
ৰক্ষা কৰিবলগীয়া সকলো বস্তুৰ মাজত,
সকলোতকৈ তোমাৰ হৃদয়ত অধিক যত্নেৰে ৰক্ষা কৰা;
কিয়নো তাৰে পৰাই জীৱন উৎপন্ন হয়।”   (হিতোপদেশ ৪ঃ২০-২৩)



এলেহুৱাই কয়, “বাটত এটা সিংহ আছে, চকত এটা পশুৰাজ আছে। দুৱাৰ যেনেকৈ ঘুৰ ঘুৰীত ঘূৰে, এলেহুৱাই নিজ শয্যাত বাগৰে তেনেকৈ। (হিতোপদেশ ২৬ঃ১৩-১৪) পদ।



হিতোপদেশ ৩১ঃ১০-৩১ পদত এগৰাকী গুণৱতী তিৰোতাই কৰা অনেকবোৰ কামৰ বিষয়ে চাওক।

এজন বয়সীয়াল মানুহৰ নিৰাশজনক আপত্তি ঃ **উপদেশক**

এজন বয়সস্থ লিখক, সম্ভৱ চলোমনে পৃথিৱীত মানুহৰ জীৱনৰ নিষ্ফলতাৰ (সূৰ্য্যৰ তলত) বিষয়ে মনত পেলাইছে। তেওঁ সকলো সুখ-সম্ভোগ চেষ্টা কৰি চালে কিন্তু শেষত এই সকলোবোৰ মিছা অহঙ্কাৰ নিৰৰ্থক বুলি জানিলে। (বতাহক ধৰিবলৈ চেষ্টা কৰা।)



২। **আপোনাৰ সহকৰ্ম্মীৰ সৈতে সপ্তাহটোত কৰিবলগীয়া কামবোৰ ঠিক কৰি লওক।**

পিতৃ-মাতৃসকলক দেখা কৰিবলৈ যাওক আৰু হিতোপদেশৰ বাক্য প্ৰয়োগ কৰক, হিতোপদেশ ১৩ঃ২৪; ১৯ঃ১৮; ২২ঃ৬; ২৩ঃ১৩।

তেওঁবিলাকৰ ল'ৰা-ছোৱালীবিলাকক হিতোপদেশ প্ৰয়োগ কৰাত সহায় কৰক।

বিশদভাৱে বাইবেল অধ্যয়ন কৰিবলৈ ভাল পোৱা সকলক ইয়োব, হিতোপদেশ বা গীতমালা পুস্তক কেইখন ভালকৈ পৰীক্ষা কৰি চাবলৈ দিয়ক। পিচত তেওঁলোকৰ সহায় হ'বলৈ কি কি পালে সেই বিষয়ে ক'বলৈ দিয়ক।

ৰখীয়াবোৰক নতুন আপুনি প্ৰশিক্ষণ দি পুৰণি নিয়ম পুস্তকত কবিতা চিনি পোৱাত সহায় কৰক।

গীতমালাৰ পৰা এনেকুৱা পদবোৰ বাচি লওক, যিহে ঈশ্বৰৰ ওপৰত মনোযোগ আৰু তেওঁৰ প্ৰশংসা কৰে। সেইবোৰ উপাসনাত ব্যৱহাৰ কৰক।

৩। **সহকৰ্ম্মীৰ সৈতে পিচৰ উপাসনাৰ আঁচনি কৰক।**

পূৰণি নিয়মৰ কবিতাৰ অসাধৰণ প্ৰক্ৰিয়া আৰু সৌন্দৰ্য্য বৰ্ণনা কৰক আৰু কিছুমান উদাহৰণ পঢ়ক।

বেলেগ বেলেগ কাব্যিক পুস্তকৰ মূল বিষয়টো বুজাই দিয়ক।

হিতোপদেশৰ পৰা কিছুমান হিতোপদেশ বুজাই দিয়ক।

যিবিলাক বিশ্বাসীয়ে এই কাব্যিক পুস্তককেইখন পঢ়ি আশীৰ্ব্বাদ প্ৰাপ্ত হৈছে তেওঁবিলাকক সেই বিষয়ে ক'বলৈ দিয়ক।

ল'ৰা-ছোৱালীবিলাকক তেওঁবিলাকে যি যুগুত কৰিছে সেইবিলাক কৰি দেখুৱাবলৈ দিয়ক।

প্ৰভু ভোজৰ লগত পৰিচয় কৰি দিবলৈ গীতমালা ১৩৩ অধ্যায় পঢ়ক আৰু বুজাই দিয়ক যে আমি যেতিয়া যীচুৰ মৃত্যুৰ কথা সোঁৱৰণ কৰি পিঠা ভাঙো, আমি বিশ্বাসীসকলৰ মাজত থকা গভীৰ একতাৰ অভিজ্ঞতা লাভ কৰোঁ।

ইজনে সিজনৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আৰু ইব্ৰী কবিতাৰ উপযোগী পদবোৰ পৰ্য্যালোচনা কৰিবলৈ দুই বা তিনিজনীয়া দলবোৰ গঠন কৰক।

গীতমালা ১৪৫ঃ১-২ পদ কেইটা একেলগে মুখস্থ কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net